**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

-----------------------------

১। লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অসমতো কাইলৈ হ'বলগীয়া ভোটগণনাৰ বাবে ৫০খন নিৰ্বাচনী জিলাত ৫২টা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে।

২। অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ বিধানসভা নিৰ্বাচনৰ ফলাফল কালি ঘোষণা কৰা হয়।

৩। অসমৰ ১৩ খন জিলাৰ ৫ লাখৰো অধিক লোক বানৰ কবলত পৰিছে।

**আৰু**

৪। মধ্যপ্ৰদেশৰ ৰাজস্থান-ৰাজগড় সীমান্তত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ১৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৫ জন লোক আঘাতপ্ৰাপ্ত হৈছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ লগতে আন কেইবাটাও বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰো ভোটগণনা কৰা হ'ব। পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, ভোটগণনাৰ সমগ্ৰ প্ৰক্ৰিয়া তথা ফলাফলসমূহ নিৰ্বাচন আয়োগৰ ৱেবচাইট results.eci.gov.inৰ লগতে ভোটাৰ হেল্পলাইন এপ'ত উপলব্ধ হ'ব। জনসাধাৰণে এই ভোটাৰ হেল্পলাইন এপ' গুগল প্লে' ষ্টʼৰ অথবা এপʼল প্লে' ষ্টʼৰৰ পৰা ডাউনলোড কৰিব পাৰিব। আয়োগে লগতে ৰিটাৰ্ণিং বিষয়া আৰু কাউণ্টিং এজেণ্টসকলৰ বাবে ইয়াৰ ৱেবচাইটত এখন হাতপুঁথিও প্ৰকাশ কৰিছে।

ইফালে অসমতো কাইলৈ হ'বলগীয়া ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ৰাজ্যখনৰ ৫০খন নিৰ্বাচনী জিলাত স্থাপিত ৫২টা ভোটগণনা কেন্দ্ৰত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই কথা প্ৰকাশ কৰি কয় যে, পুৱা ৮ বজাত আৰম্ভ হ'বলগীয়া ভোট গণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকক নিযুক্তি দিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

আনহাতে মুঠ ৫২টা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ৯৪১ খন ভোটগণনাৰ মেজৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, আজিৰ দিনটোলৈ ৰাজ্যৰ ১৪ গৰাকী ৰিটাৰ্ণিং বিষয়াই ১ লাখ ২৮ হাজাৰৰো অধিক ডাক-বেলট লাভ কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে যোৰহাট লোকসভা সমষ্টিত সৰ্বাধিক সংখ্যক ডাক বেলট লাভ কৰা হৈছে।

০০০০০০০

অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ বিধানসভা নিৰ্বাচনৰ ফলাফল কালি ঘোষণা কৰা হয়। এই অনুসৰি অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে ৬০টা সমষ্টিৰ ৪৬টাতে বিজয়ী হৈ একক সংখ্যাগৰিষ্ঠতা

লাভ কৰি পুনৰ এবাৰ শাসনভাৰ গ্ৰহণৰ বাবে সাজু হৈছে। ইফালে NPEP ৫খন, NCP ৩খন, PPA-য়ে ২খন, কংগ্ৰেছে এখন আৰু নিৰ্দলীয়ই তিনিখন আসন লাভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ সভাপতি জগত প্ৰকাশ নাড্ডাই অৰুণাচল প্ৰদেশৰ জনসাধাৰণক বিজেপিৰ প্ৰতি আস্থা প্ৰকাশ কৰি পুনৰ শাসনভাৰৰ দায়িত্ব দিয়াৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

ইফালে, ছিকিমত ছিকিম ক্ৰান্তিকাৰী মৰ্চাই ৩১খন আসন লাভ কৰি দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে। আনহাতে ছিকিম ডেম'ক্ৰেটিক ফ্ৰণ্টে এখন আসন লাভ কৰাৰ বিপৰীতে পূৰ্বৰ মুখ্যমন্ত্ৰী পৱন চামলিঙে দুখন আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই পৰাজিত হয় আৰু মুখ্যমন্ত্ৰী তথা এছ কে এমৰ সভাপতি প্ৰেম সিং টামাঙে দুটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই দুয়োটা সমষ্টিতে জয়লাভ কৰে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ২১ শতিকাৰ বিশ্বই ভাৰতলৈ বহু আশাৰে চাই আছে। এখন পত্ৰযোগে দেশবাসীলৈ নিজৰ মনোভাৱ ব্যক্ত কৰি শ্ৰীমোদীয়ে কয় যে, জনসমৰ্থক সু-শাসন, আদৰ্শ জিলা আৰু আদৰ্শ ব্লকৰ দৰে আঁচনিসমূহৰ বিষয়ে গোলকীয় স্তৰত আলোচনা হৈ আছে। তেওঁ কয় যে, কেৱল ১০ বছৰত ২৫ কোটি লোকক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ লৈ যোৱাটো অভূতপূৰ্ব। শ্ৰীমোদীয়ে কয় যে, দৰিদ্ৰসকলক সৱলীকৰণ কৰিবলৈ চৰকাৰে অন্তিম পৰ্যায়লৈ কৰা চেষ্টাই বিশ্বক অনুপ্ৰাণিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে ৪টা দিশ বেগ, স্কেল, পৰিসৰ আৰু মানৰ ওপৰত তীব্ৰতাৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জি-২০ৰ সফলতাৰ পাছত বিশ্বই ভাৰতৰ বৃহৎ সফলতাৰ বিষয়ে কল্পনা কৰি আছে। ভাৰতক অন্য উন্নত আৰু উন্নয়নশীল দেশসমূহৰ এটা শক্তিশালী আৰু গুৰুত্বপূৰ্ণ কণ্ঠৰ ৰূপত স্বীকাৰ কৰা হৈছে। ভাৰতৰ পৃষ্ঠপোষকতাত আফ্ৰিকীয় সংঘ জি-২০ৰ অংশ হৈ পৰিছে। শ্ৰীমোদীয়ে কয় যে, ই আফ্ৰিকীয় দেশসমূহৰ ভৱিষ্যতৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

কুন্যাকুমাৰীৰ তিনিদিনীয়া আধ্যাত্মিক যাত্ৰাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, কন্যাকুমাৰীৰ ভূমিয়ে একতাৰ এক স্পষ্ট বাৰ্তা বহন কৰে। শ্ৰীমোদীয়ে তেওঁৰ এই মনোভাৱ ১ জুনত কন্যাকুমাৰীৰ পৰা দিল্লীলৈ কৰা তেওঁৰ যাত্ৰাৰ সময়ত লিখে।

০০০০০০০

অসমৰ ১৩ খন জিলাৰ ৫ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। ৰীমালৰ প্ৰভাৱত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত হোৱা বানত বৰ্তমানলৈ ৩ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৪ হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি ৰাজ্যখনৰ ১৩ খন জিলাৰ ৫৬৪ খন গাঁও প্লাৱিত হোৱাৰ লগতে ৮ হাজাৰৰো অধিক হেক্টৰ কৃষিভূমি বানৰ কবলত পৰিছে। চৰকাৰী সূত্ৰ অনুসৰি বানত বিগত ২৪ ঘণ্টাত কাছাৰ জিলাত ২ জন আৰু নগাঁৱত এজন লোকৰ মৃত্যু হৈছে। আনহাতে, কাছাৰ জিলাত এজন যুৱক আৰু এটি শিশু সন্ধানহীন হৈ আছে। ৰাজ্যখনত ব্ৰহ্মপুত্ৰৰ পানী গুৱাহাটী, গোৱালপাৰা আৰু ধুবুৰী জিলাত ক্ৰমাৎ বৃদ্ধি পাইছে। আনহাতে কপিলী, বৰাক, ধনশিৰি, বুঢ়িদিহিং, গৌৰাং আৰু কুশিয়াৰা নদীৰ পানী ভালেমান ঠাইত বাঢ়িবলৈ লৈছে।

ৰাজ্য চৰকাৰে বান প্ৰভাৱিত জিলা কেইখনত মুঠ ১৯৩টা সাহায্য শিবিৰ আৰু ৮২টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। তদুপৰি উদ্ধাৰ আৰু সাহায্যৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী নিয়োগ কৰা হৈছে।

ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, বানত কেইবাখনো জিলাৰ ১০৩টাকৈ পথ, মথাউৰি তথা আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি হৈছে। ইপিনে, উত্তৰ-পূৱ সীমান্ত ৰেলৱেই ৰেলপথৰ ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি নিউ হাফলং-চন্দ্ৰনাথপুৰ ৰেলসেৱা বাতিল কৰাৰ লগতে এই পথচোৱাৰে চলাচল কৰা আন কেইবাখনো ৰেলগাড়ীৰ যাত্ৰা আংশিকভাৱে বাতিল কৰিছে।

০০০০০০০

নতুন দিল্লীত আজি অনুষ্ঠিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে লোকসভা নিৰ্বাচনত ৬৪২ নিযুত ভোটাৰে অংশগ্ৰহণ কৰি বিশ্ব অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে বুলি প্ৰকাশ কৰিছে। এইবাৰৰ লোকসভা নিৰ্বাচনত অভিলেখসংখ্যক ৩১২ নিযুত মহিলা ভোটাৰে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে যিটো বিশ্বৰ ভিতৰতে সৰ্বাধিক। তেওঁ কয় যে, এইবাৰৰ নিৰ্বাচনত মাত্ৰ ৩৯ ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ নিৰ্বাচন অনুষ্ঠিত হৈছে। কিন্তু ২০১৯ৰ সাধাৰণ নিৰ্বাচনৰ ৫৪০টা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। তেওঁ লগতে কয় যে, এইবাৰৰ নিৰ্বাচনত ঝাৰখণ্ড, চট্টিশগড়, ওড়িশা, মহাৰাষ্ট্ৰৰ লগতে পশ্চিমবংগ, মণিপুৰ আৰু জম্মু-কাশ্মীৰত কোনো বৃহৎ হিংসাত্মক ঘটনা সংঘটিত হোৱা নাই। নিৰ্বাচন আচৰণ বিধি উলংঘাৰ সৈতে জড়িত ৪৯৫টা অভিযোগৰ ৯০ শতাংশতকৈও অধিক নিষ্পত্তি কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। শ্ৰীকুমাৰে ভাৰতীয় ভোটাৰক প্ৰশংসা কৰি ভোটাৰজনহে প্ৰকৃত বিজয়ী বুলি মন্তব্য কৰে।

০০০০০০০

মধ্যপ্ৰদেশৰ ৰাজস্থান-ৰাজগড় সীমান্তত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ১৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৫ জন লোক আঘাতপ্ৰাপ্ত হৈছে। ইয়াৰে দুজন লোকৰ অৱস্থা সংকটজনক হৈ আছে। আঘাতপ্ৰাপ্তসকলক ইতিমধ্যে হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ৰাজগড়ৰ আয়ুক্ত হৰ্ষ দীক্ষিতে সংবাদমাধ্যমত জনাইছে যে, বিবাহ উৎসৱত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে ৰাজস্থানৰ পৰা এখন ট্ৰেক্টৰেৰে মধ্যপ্ৰদেশলৈ আহি থকাৰ সময়তেই ট্ৰেক্টৰখন পথৰ দাঁতিত বাগৰি যোৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে কৈছে যে, ৰাজ্য চৰকাৰে ৰাজস্থান চৰকাৰৰ লগত যোগাযোগ কৰিছে আৰু আঘাতপ্ৰাপ্তসকলক ৰাজগড়ৰ জিলা হাস্পতালত ভৰ্তি কৰোৱা হৈছে। আনহাতে সংকটজনক সকলক উন্নত চিকিৎসাৰ বাবে ভূপাললৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে এই দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে চিকিৎসাধীন সকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি শ্ৰীজগদীপ ধনখড়ে মধ্যপ্ৰদেশৰ ৰাজগড় জিলাত সংঘটিত পথ দুৰ্ঘটনাত নিহতসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, পথ দুৰ্ঘটনাৰ বাতৰিটো অতি দুখজনক আৰু আঘাতপ্ৰাপ্ত সকল শীঘ্ৰেই আৰোগ্য হোৱাটো কামনা কৰিছো।

উপ-ৰাষ্ট্ৰপতি শ্ৰীধনখড়ে কয় যে, পথ দুৰ্ঘটনাটোত প্ৰাণহানি হোৱা সকলৰ বাবে তেওঁ অতিশয় দুখিত। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আঘাতপ্ৰাপ্তসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে কাইলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা চাৰে ৮ বজাৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউ টিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

oooooooo

সমাপ্ত